**2023**

# ASSAMESE

( Honours Core )

Paper : ASM-HC-4026

( অসমীয়া ভাষাৰ সমাহৰণ : আৰ্যভাষা আৰু আৰ্য-ভিন্ন ভাষা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলে ভূমিদান সম্পৰ্কীয় ফলিবোৰ কি ভাষাত ৰচনা কৰোৱাইছিল ?

(খ) কোনগৰাকী প্ৰাচ্যতত্ত্ববিদ পণ্ডিতে ভাৰত-ইউৰোপীয় ভাষাগোষ্ঠীক 'আৰ্য' নামকৰণৰ পৃষ্ঠপোষকতা কৰিছিল ?

(গ) ভাৰতৰ একেবাৰে পূব অঞ্চলত প্ৰচলিত নব্য ভাৰতীয় আৰ্যভাষাটোৰ নাম কি ?

(ঘ) গ্ৰীয়াৰ্ছনৰ মতে মাগধী অপভ্ৰংশ পূব দিশত কেইটা দিশেৰে বিয়পি পৰিছিল ?

(ঙ) সংস্কৃত শিশ্ ধ্বনি তিনিটাৰ ভিতৰত কোনটো ধ্বনিৰ ব্যৱহাৰ মাগধী-প্ৰাকৃতত আছে ?



Scanned with OKEN Scanner

(চ) 'অপভ্ৰংশ' শব্দটোৰ সৰ্বপ্ৰথম উল্লেখ ক'ত পোৱা যায়?

(ছ) চীন-তিব্বতীয় ভাষাগোষ্ঠীক প্ৰধানতঃ কেইটা ভাগত ভাগ কৰা হৈছে?

(জ) অৰুণাচলত প্ৰচলিত সংযোগী ভাষাটো কি নামেৰে জনা যায়?

(ঝ) অসমীয়া ভাষাত সম্বন্ধবাচক শব্দৰ পিছত বিভিন্ন পুৰুষ অনুযায়ী ব্যৱহাৰ হোৱা ৰূপবোৰত কি ভাষাৰ প্ৰভাৱ আছে বুলি ড০ বাণীকান্ত কাকতিয়ে কৈছে?

(ঞ) বিৰিঞ্চি কুমাৰ বৰুৱাই ওৰ, পুৰ, কুট আদি নগৰ নিৰ্দেশক শব্দবোৰ কোনটো ভাষা-পৰিয়ালৰ পৰা অসমীয়া ভাষালৈ আহিছে বুলি অনুমান কৰিছে?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) হিউৱেন চাঙ কোন শতিকাত আৰু কোনগৰাকী ৰজাৰ দিনত প্ৰাচীন কামৰূপলৈ আহিছিল?

(খ) 'চৰ্যাপদ'ৰ বাহিৰেও কোন দুখন পুথিত উত্তৰকালীন অসমীয়া ভাষাৰ নিদৰ্শন পোৱা যায় বুলি পণ্ডিতসকলে মত পোষণ কৰে?

(গ) মধ্যভাৰতীয় আৰ্যভাষাৰ বিকাশৰ শেষ স্তৰ দুটা কি কি?

(ঘ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ চহকী কৰাত বিশেষ অৱদান আগবঢ়োৱা আৰ্য-ভিন্ন পৰিয়ালৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(ঙ) চলতি অসমীয়া ভাষাত বহুলভাৱে প্ৰচলিত যি কোনো দুটা শব্দ উল্লেখ কৰা।



Scanned with OKEN Scanner

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ‘চৰ্যাপদ’ৰ লগত অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক সাদৃশ্য

(খ) অসমীয়া ভাষাত মাগধী-প্ৰাকৃতৰ উপাদান

(গ) অসমীয়া আৰু বাংলা ভাষাৰ সম্বন্ধবাচক শব্দ

(ঘ) নব্য ভাৰতীয় আৰ্যভাষা

(ঙ) অসমত বাস কৰা আৰ্য-ভিন্ন ভাষাৰ পৰিচয়

(চ) সাম্প্ৰতিক অসমীয়া ভাষাত তিব্বত-বৰ্মীয় ভাষাৰ পৰসৰ্গৰ প্ৰভাৱ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমলৈ আৰ্যসকলৰ প্ৰব্ৰজন কেতিয়া হৈছিল বুলি অনুমান কৰা হয়? অসমীয়া ভাষা সম্প্ৰদায়ৰ গঠনত আৰ্যসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(খ) “অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশৰ ভিন্ন ভিন্ন স্তৰত বিভিন্ন প্ৰাকৃতৰ সংমিশ্ৰণ ঘটিছে।” উক্ত মন্তব্যটি বিশ্লেষণ কৰা।

(গ) মাগধীয় ভাষাৰ ভিতৰত কি কি ভাষাক সামৰি লোৱা হয়? অসমীয়া ভাষাৰ লগত অন্যান্য কি কি মাগধীয় ভাষাৰ সম্পৰ্ক আছে, বুজাই লিখা।

(ঘ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা পালি-প্ৰাকৃত-অপভ্ৰংশৰ বিকাশ কেনেদৰে হৈছিল? নিৰ্দৰ্শনসহ আলোচনা কৰা।



Scanned with OKEN Scanner

(ঙ) অসমত প্ৰচলিত তিব্বত-বৰ্মীয় ভাষাসমূহৰ নাম উল্লেখ কৰি সিবোৰৰ যি কোনো এটিৰ ভাষাতাত্ত্বিক পৰিচয় দাঙি ধৰা।

(চ) অষ্ট্ৰিক ভাষা-পৰিয়ালৰ চমু পৰিচয়সহ এই পৰিয়ালৰ ভাষাৰ লগত অসমীয়া ভাষাৰ সম্বন্ধ বিচাৰ কৰা।

(ছ) সাম্প্ৰতিক অসমীয়া ভাষাত নিৰ্দেশাত্মক প্ৰত্যয় আৰু স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(জ) অসমীয়া ভাষাৰ শব্দমালাত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰা।

★★★



Scanned with OKEN Scanner